যি ব্যক্তিয়ে ইল্ম শিকাৰ উদ্দেশ্যে ওলাই গ’ল, তেওঁ উভতি নহালৈকে আল্লাহৰ ৰাস্তাত থকা বুলি গণ্য হ’ব।

আনাছ ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা মাৰফু‘ হিচাপে বর্ণিত, “যি ব্যক্তিয়ে ইল্ম শিকাৰ উদ্দেশ্যে ওলাই গ’ল, তেওঁ উভতি নহালৈকে আল্লাহৰ ৰাস্তাত থকা বুলি গণ্য হ’ব।” হাছান - এইটো তিৰমিজীয়ে বর্ণনা কৰিছে।
[হাছান] [(তিৰমিজী)]

হাদীছটোৰ অর্থ হৈছে: যি ব্যক্তিয়ে নিজ ঘৰৰ পৰা বা নিজৰ চহৰৰ পৰা দ্বীনি ইল্মৰ অনুসন্ধানত ওলাই যাব, তেওঁ নিজ পৰিয়ালৰ ওচৰলৈ উভতি নহালৈকে সেই ব্যক্তিৰ দৰে গণ্য হ’ব যিয়ে আল্লাহৰ ৰাস্তাত জিহাদ কৰিবলৈ ওলাই গৈছে। কাৰণ, দ্বীন জীৱিত কৰা, চয়তানক অপদস্থ কৰা আৰু প্রবৃত্তিক কষ্ট দিয়াৰ ক্ষেত্রত তেওঁ এজন মুজাহিদৰ দৰে।

https://sunnah.global/hadeeth/as/show/4191